# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 30-07-2025
**Time :** 1715 HRS

# *Assamese Evening Bulletin*

———————————————————

জিলা প্ৰশাসন আৰু বন বিভাগে গোলাঘাট জিলাৰ ৰেংমা বনাঞ্চলৰ উৰিয়ামঘাটৰ এক নম্বৰ পিঠাঘাট আৰু ২ নম্বৰ পিঠাঘাট অঞ্চলত আজি পুনৰ উচ্ছেদ অভিযান চলায়। অভিযানকালত প্ৰায় দুশটা ঘৰ উচ্ছেদ কৰা হয়। ৰাজ্যৰ প্ৰধান মুখ্য বন সংৰক্ষক এন কে যাদৱৰ নেতৃত্বত এই অভিযান সম্পন্ন কৰা হয়। কেইবাটাও পৰ্যায়ত চলিবলগীয়া এই অভিযানত দুহেজাৰ ৬০০ৰো অধিক পৰিয়ালক উচ্ছেদ কৰাৰ লগতে প্ৰায় ১১ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰাৰ লক্ষ্য লোৱা হৈছে। বন বিভাগৰ জাননী পোৱাৰ পাছতে অঞ্চলটোৰ পৰা প্ৰায় ৮০ শতাংশ লোক আঁতৰি গৈছে যদিও একাংশ লোক এতিয়াও সেই স্থানতে আছে।

ইপিনে গুৱাহাটী উচ্চ ন্যায়ালয়ে উৰিয়ামঘাটত উচ্চেদিত অঞ্চলৰ ৭৩টা পৰিয়াললৈ সকাহ দি সংশ্লিষ্ট অঞ্চলত ৭ আগষ্ট পৰ্যন্ত উচ্ছেদ অভিযান নচলাবলৈ নিৰ্দেশ দিছে। এই অভিযান সন্দৰ্ভত ৭৫ জন লোকে দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি আদালতে কালি এই নিৰ্দেশ প্ৰদান কৰে। ন্যায়ালয়ে লগতে বিষয়টো সন্দৰ্ভত ৰাজ্য চৰকাৰৰ পৰা মতামত বিচাৰে।

ooooo

গুৱাহাটীৰ ওদালবাক্ৰাত সংঘটিত পথ দুৰ্ঘটনাত ছামিউল হক নামৰ ছাত্ৰজনৰ মৃত্যু হোৱা ঘটনা সন্দৰ্ভত অভিনেত্ৰী নন্দিনী কাশ্যপক আজি আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। আজি পাণবজাৰত অনুষ্ঠিত এখন সংবাদমেলত উপ-আৰক্ষী আয়ুক্ত জয়ন্ত সাৰথি বৰাই অভিযুক্ত অভিনেত্ৰীগৰাকীক গ্ৰেপ্তাৰ কৰাৰ কথা আনুষ্ঠানিকভাৱে সদৰি কৰে। তেওঁ পথ দুৰ্ঘটনাটোৰ সন্দৰ্ভত দিছপুৰ থানাত ভাৰতীয় ন্যায় সংহিতাৰ ১১৫(২)/১২৫(বি) আৰু ২৮১ ধাৰাত এটা গোচৰ ৰুজু কৰা হৈছিল বুলি জানিবলৈ দিয়ে। এই গোচৰৰ ধাৰাসমূহ জামিনযোগ্য আছিল যদিও পৰৱৰ্তী সময়ত ছাত্ৰগৰাকীৰ মৃত্যুৰ পাছত আদালতৰ অনুমতি সাপেক্ষে ভাৰতীয় ন্যায় সংহিতাৰ জামিনবিহীন ১০৫ নম্বৰ ধাৰাটো গোচৰত সন্নিবিষ্ট কৰা হয়। সেই অনুসৰি অভিনেত্ৰীগৰাকীক আদালতত হাজিৰ কৰোৱা হৈছে। উল্লেখযোগ্য যে ২৫ জুলাইৰ অভিযুক্ত নন্দিনী কাশ্যপৰ গাড়ীৰ খুন্দাত আহত হোৱা নলবাৰী পলিটেকনিকৰ বৈদ্যুতিক অভিযান্ত্ৰিক বিভাগৰ ছাত্ৰ ছামিউল হকৰ কালি সন্ধিয়া এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়।

ooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা অঞ্জনমণি কলিতা আৰু ৰাজেশ মজুমদাৰ, ন্যায়িক বিষয়া প্ৰাঞ্জল দাস আৰু সঞ্জীৱ কুমাৰ শৰ্মাই আজি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশ হিচাপে শপত গ্ৰহণ কৰে। মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰে উচ্চ ন্যায়ালয়ৰ নতুন ভৱনত আয়োজিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত তেওঁলোকক শপত গ্ৰহণ কৰোৱায়। শপত গ্ৰহণ অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকল , ৰাজ্য চৰকাৰৰ মহাধিবক্তা দেৱিজৎ শইকীয়া, আৰক্ষী সঞ্চালক প্ৰধান হৰমিৎ সিং, আৰু গুৱাহাটী উচ্চন্যায়ালয়ৰ উকীল সন্থাৰ সভাপতি কমল নয়ন চৌধুৰী উপস্থিত থাকে।

ooooo

ৰাজ্যত অব্যাহত থকা গ্ৰীষ্ম প্ৰৱাহৰ প্ৰতি লক্ষ্য ৰাখি গ্ৰীষ্ম বন্ধৰ পাছত অহা ১ আগষ্টৰ পৰা হ'বলগীয়া বিদ্যালয়ৰ পাঠদান সন্দৰ্ভত সমগ্ৰ শিক্ষা বিভাগে বিশেষ নিৰ্দেশনা জাৰি কৰিছে। কামৰূপ মহানগৰ জিলা

আয়ুক্তৰ সৈতে হোৱা বৈঠকৰ পাছত সমগ্ৰ শিক্ষাৰ কামৰূপ মহানগৰ জিলাৰ মিছন সমন্বয়কে এটা নিৰ্দেশনাযোগে জিলাখনৰ বিদ্যালয়সমূহত পাঠদানৰ নতুন সময়সূচী ঘোষণা কৰিছে। নতুন নিৰ্দেশনা অনুসৰি ১ আগষ্টৰ পৰা কামৰূপ মহানগৰ জিলাৰ সকলো চৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানৰ পাঠদান পুৱা চাৰে ৭ বজাত আৰম্ভ হ'ব। অৱশ্যে বিদ্যালয়ৰ ছুটীৰ ক্ষেত্ৰত শ্ৰেণী অনুসৰি সময়ৰ সলনি হ'ব। নিৰ্দেশনাটোত উল্লেখ কৰা মতে নিম্ন প্ৰাথমিক বিদ্যালয়ৰ ছুটী চাৰে ১১ বজাত আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ ছুটী ১২ বজাত হ'ব। মাধ্যমিক পৰ্যায়ৰ অষ্টম, নৱম আৰু দশম শ্ৰেণীৰ পাঠদান দুপৰীয়া ১ বজা পৰ্যন্ত চলিব। এই শ্ৰেণীসমূহৰ পাঠ্যক্ৰম আগুৱাই নিয়াৰ স্বাৰ্থত বিদ্যালয়ৰ ছুটীৰ সময় চাৰে ১২ বজাৰ পৰিবৰ্তে ১ বজা কৰাৰ সিদ্ধান্ত লোৱা হৈছে। উল্লেখযোগ্য যে প্ৰচণ্ড গৰমৰ বাবে বিদ্যালয়ৰ শিক্ষাৰ্থীসকল যাতে অসুবিধাৰ সন্মুখীন নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখি বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰে শিক্ষা বিভাগক নিৰ্দেশ দিছে। গুৱাহাটী মহানগৰীৰ যান-জঁটৰ বাবে বিদ্যালয়ৰ পাঠদানৰ সময়সূচী সালসলনি কৰাৰ বাবে চৰকাৰে আগবঢ়োৱা পৰামৰ্শৰ ভিত্তিতে সমগ্ৰ শিক্ষা বিভাগে নিৰ্দেশনা জাৰি কৰিছে।

০০০০০

উগ্ৰপন্থীৰ গুলীত মৃত্যুবৰণ কৰা নিখিল বড়ো ছাত্ৰ সন্থা- এবছুৰ প্ৰাক্তন সভাপতি জৌহৈলাও স্ৰৈমল্লা বসুমতাৰীৰ ২৯ সংখ্যক মৃত্যু তিথি আজি সন্ত্ৰাসবাদ বিৰোধী দিৱস হিচাপে উদযাপন কৰা হয়। গয়াবাৰীত থকা ছাত্ৰ নেতাজনৰ সমাধিস্থলীত এবছুৰ পতাকা অৰ্ধ উত্তোলন কৰি এবছুৰ সভাপতি দ্বীপেন বড়োৱে অনুষ্ঠানটো আৰম্ভ কৰে। প্ৰয়াত ছাত্ৰ নেতাজনৰ সহধৰ্মী ভানুমতি বসুমতাৰীয়ে ইয়াৰ পাছত সমাধিস্থলীত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে। সন্ত্ৰাসবাদ বিৰোধী দিৱস উপলক্ষে আমন্ত্ৰিত অতিথি আৰু সমবেত ব্যক্তিসকলে গণস্বাক্ষৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ইয়াৰ লগতে মানৱ শৃংখল গঠন কৰি শান্তিৰ প্ৰতীক বগা পাৰ চৰাই আৰু বগা বেলুন উৰুৱাই আজিৰ অনুষ্ঠানত সন্ত্ৰাসবাদৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। ১৯৯৬ চনৰ আজিৰ দিনটোতে কোকৰাঝাৰ চহৰৰ নিকটৱৰ্তী হাতীমাথা গাঁৱত সশস্ত্ৰ উগ্ৰপন্থীয়ে এবছুৰ তদানীন্তন সভাপতিজনক গুলীয়াই হত্যা কৰিছিল। ইয়াৰ পাছৰে পৰা এবছুৱে কেন্দ্ৰীয়ভাৱে আজিৰ দিনটো সন্ত্ৰাসবাদ বিৰোধী দিৱস হিচাপে পালন কৰি আহিছে। আজিৰ অনুষ্ঠানত মন্ত্ৰী ইউ জি ব্ৰহ্ম, বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো আৰু বিধায়ক লৰেন্স ইছলাৰীসহ ভালেকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

বাক্সা জিলাৰ জালাহত আজি ৰাজ্য চৰকাৰৰ মহিলা আৰু শিশু উন্নয়ন বিভাগৰ জালাহ সংহত শিশু উন্নয়ন প্ৰকল্পৰ নতুন কাৰ্যালয়টো আজি আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। উদ্বোধনী অনুষ্ঠানত বিটিআৰৰ কাৰ্যবাহী সদস্য গৌতম দাস, বিধায়ক ফণীধৰ তালুকদাৰকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। বিগত সময়ত উদ্বোধন কৰা চাৰিটাকৈ শিশু উন্নয়ন প্ৰকল্পৰ কাৰ্যালয়ৰ বিষয়ে উল্লেখ কৰি শ্ৰীদাসে কয়, যে এই নতুন কাৰ্যালয়টোৰ অধীনত ৩০৮টাকৈ অংগনৱাড়ী কেন্দ্ৰ আছে। কাৰ্যালয়সমূহে এই কেন্দ্ৰসমূহৰ উন্নয়নমূলক আৰু প্ৰশাসনিক কাম-কাজ ত্বৰান্বিত কৰিছে।

০০০০০

ৰাজ্যত অনুপ্ৰৱেশকাৰীৰ  বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ প্ৰক্ৰিয়া অব্যাহত আছে। এনে ব্যৱস্থাৰ অংশ হিচাপে আৰক্ষীয়ে আজি নিচেই পুৱা শ্ৰীভূমি জিলাত আন্তৰাষ্ট্ৰীয় সীমান্তৰ সমীপত ৭ জন বাংলাদেশী নাগৰিকক আটক কৰে আৰু বাংলাদেশলৈ ঘুৰাই পঠিয়ায়।

০০০০০

সমাপ্ত